সমগ্ৰ শিক্ষা
Samagra Shiksha
समग्र शिक्षा

Under CSR Support by
ipca | Foundation



# প্ৰথম শ্ৰেণীৰ বাবে

# অকণিৰ গণিত

## অধ্যায় - ১১

## বাৰে বাৰে যোগ

অংশ – ১

**চিন্ময়ী গগৈ**

সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

মাইনাই গছপুলি ৰুই খুব ভাল পায়

তাই মুঠতে কেইজোপা গছপুলি নতুনকৈ ৰুলে

চোৱাচোন —



মাইনাই এটাকৈ গছপুলি তিনি ঠাইত ৰুইছে।

১ + ১ + ১ = ৩

১ তিনিবাৰ যোগ কৰিলে ৩ হ'ব।

মাইনাই মুঠতে ৩ জোপা গছপুলি ৰুলে।

ডাক্তৰ খুড়াই কৈছে যে কল খালে গাত বল পায়। সেই কাৰণে হেমেন, ডেভিদ আৰু নাজমাই সদায় দুটাকৈ কল খায়।



তিনিও মিলি সদায় কেইটা কল খায় চাওঁ আহা —

দুটাকৈ কল তিনিজনে খায়

২+২+২ = ৬

২ তিনিবাৰ যোগ কৰিলে ৬ হ'ব।

তিনিও মিলি মুঠ ৬টা কল খায়।

সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

ৰমলাই বজাৰৰ পৰা ঔটেঙা, কমলা আৰু আপেল কিনিলে। তাই প্ৰতিবিধ ফলৰ কেইটাকৈ কিনিলে চাওঁ আহা —



৩ + ৩ + ৩ + ৩ + ৩ = ১৫টা ঔটেঙা

৩টাকৈ ৫ বাৰ = ১৫

ৰমলাই মুঠ ঔটেঙা কিনিলে = ১৫ টা

সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



৪ + ৪ + ৪ = ১২টা কমলা

৪টাকৈ ৩ বাৰ = ১২

ৰমলাই মুঠ কমলা কিনিলে = ১২ টা

সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



৫ + ৫ + ৫ + ৫ = ২০ টা আপেল

৫ টাকৈ ৪ বাৰ = ২০

ৰমলাই মুঠ আপেল কিনিলে = ২০ টা

# মূল্যায়ন

১ | মুঠ কিমান কমলা আছে কোৱা -



৩ + ৩ + ৩ = ৯

৩ টাকৈ ৩ বাৰ = ৯

# মূল্যায়ন

২ | মুঠ কিমান আছে লিখা -



৪ + ৪ + ৪ = ১২

৪ টাকৈ ৩ বাৰ = ১২